অসম

‘জুবিনদাই সুন্দৰৰ পূজাৰী আৰু জাতীয় চেতনা হৈ আমাৰ মাজত জীয়াই থাকক’—ভগ্নী পামী বৰঠাকুৰ

জুবিন গার্গৰ জন্মদিনত শিল্পীগৰাকীৰ চিন্তা, আদর্শ আৰু সৃষ্টিৰাজি নতুন প্রজন্মৰ মাজত জীয়াই ৰখাৰ আহ্বান জনাইছে পামী বৰঠাকুৰে।

প্রকাশ: ১৮ নৱেম্বৰ ২০২৬, দুপৰীয়া ২:২৮



Pami Borthakur calls for keeping Zubin Garg (NewzNow)

গুৱাহাটী, ১৮ নৱেম্বৰ: প্রাণৰ শিল্পী জুবিন গার্গৰ জন্মদিন উপলক্ষে তেওঁৰ স্মৃতি, আদর্শ আৰু সৃষ্টিৰাজি জীয়াই ৰখাৰ আহ্বান জনাইছে ভগ্নী পামী বৰঠাকুৰে। কেৱল জন্মদিন উদযাপনৰ মাজতে সীমাবদ্ধ নাথাকি জুবিন গার্গৰ চিন্তা, অৱদান আৰু জীৱনবোধৰ প্রতিটো দিশ চর্চা কৰি তেওঁক নতুন প্রজন্মৰ মাজত জীয়াই ৰখাৰ প্রয়োজন বুলি তেওঁ উল্লেখ কৰে।

> জুবিনদা সদায় সুন্দৰৰ পূজাৰী, এজন সুন্দৰ মানুহ আৰু জাতীয় চেতনা হিচাপে অসমবাসীৰ মাজত জীয়াই থাকিব লাগে।

জুবিন গার্গৰ জীৱনৰ বিভিন্ন দিশ, চিন্তা-চর্চা আৰু অৱদানক লৈ আলোচনা অব্যাহত থাকিলেহে তেওঁৰ স্মৃতি আৰু আদর্শ প্রজন্মৰ পাছত প্রজন্মলৈ আগবাঢ়ি যাব বুলি পামী বৰঠাকুৰে কয়। গুৱাহাটীৰ পৰা সোণাপুৰলৈ

বিভিন্ন স্থানত অনুৰাগীসকলে তেওঁৰ ছবি আঁৰি, ফুল অর্পণ কৰি আৰু গীত বজাই স্বতঃস্ফূর্তভাৱে জন্মদিন পালন কৰা দৃশ্য দেখি আনন্দিত হোৱা বুলিও তেওঁ জনায়।

ৰাইজে নিজাববীয়াকৈ শিল্পীগৰাকীক স্মৰণ কৰি জন্মদিন উদযাপন কৰাটোৱে তেওঁৰ প্রতি থকা গভীৰ ভালপোৱাৰ প্রতিফলন ঘটাইছে বুলি তেওঁ মন্তব্য কৰে। জুবিনক লৈ ভাল কথা আৰু তেওঁৰ চিন্তা-চেতনাৰ চর্চা অব্যাহত থাকিলেই শিল্পীগৰাকী মানুহৰ মাজত জীয়াই থাকিব বুলি আশা প্রকাশ কৰে পামী বৰঠাকুৰে।

ইফালে, মুম্বাইত চিকিৎসা গ্রহণ কৰি থকা জুবিন গার্গৰ পত্নীৰ স্বাস্থ্য আগতকৈ কিছু উন্নত হৈছে বুলি পামী বৰঠাকুৰে জানিবলৈ দিয়ে। চিকিৎসা সম্পূর্ণ কৰিবলৈ আৰু কিছু সময়ৰ প্রয়োজন হ'ব বুলিও তেওঁ কয়। জুবিন গার্গৰ মৃত্যুৰ পাছত সৃষ্টি হোৱা মানসিক চাপৰ বাবে তেওঁৰ স্বাস্থ্যৰ ওপৰত প্রভাৱ পৰিছে আৰু মাজে মাজে অসুস্থ হৈ পৰে বুলি উল্লেখ কৰি পৰিৱেশৰ কিছু পৰিৱর্তন আৰু যত্নৰ জৰিয়তে তেওঁক সুস্থ কৰি ৰখাৰ চেষ্টা চলি থকা বুলি জনায়।

জুবিন গার্গৰ মৃত্যুৰ ঘটনাৰ ন্যায়িক প্রক্রিয়াক লৈও পামী বৰঠাকুৰে ক্ষোভ আৰু হতাশা প্রকাশ কৰে। ন্যায় প্রক্রিয়াৰ কিছুমান সিদ্ধান্তই পৰিয়ালক আঘাত দিছে বুলি উল্লেখ কৰি তেওঁ কয় যে, আৰম্ভণিৰ পৰাই তদন্ত আৰু প্রমাণৰ ক্ষেত্রত থকা কিছুমান ত্রুটিৰ বাবেই অভিযুক্ত অমিত প্রভাই জামিন লাভ কৰিবলৈ সক্ষম হোৱা বুলি তেওঁ অনুভৱ কৰে। অৱশ্যে ন্যায়ালয় আৰু ন্যায় ব্যৱস্থাৰ ওপৰত পৰিয়ালৰ আস্থা আছে বুলি তেওঁ স্পষ্ট কৰে। তেওঁলোকৰ অধিবক্তাৰ দলটোৱে গোচৰটো শক্তিশালীভাৱে আগবঢ়াই নিয়াৰ চেষ্টা চলাই আছে আৰু জুবিনে ন্যায় পাব বুলি তেওঁ আশাবাদী।

ন্যায়িক প্রক্রিয়াৰ মাজত কিছুমান বাধা বা হতাশাজনক ঘটনা আহিলেও সেইবোৰৰ বাবে নিৰুৎসাহিত নহৈ আগতকৈ দুগুণ উৎসাহেৰে জুবিন গার্গৰ ন্যায়ৰ দাবী অব্যাহত ৰাখিব লাগিব বুলি পামী বৰঠাকুৰে মন্তব্য কৰে।

এই খবৰটো NewzNow-ত প্রথমে প্রকাশ হৈছিল। সম্পূর্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/4101/zubeen-garg-pami-borthakur-birthday